জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮২৭/২০২০**

# যোৰহাট আৰু শিৱসাগৰ জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

**দিছপুৰ, ১১ ডিচেম্বৰ ঃ** আজি অসম কৃষি বিশ্ববিদ্যালয়ৰ সভাকক্ষত শিৱসাগৰ আৰু যোৰহাট জিলা প্ৰশাসনৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত আধাৰ কাৰ্ড প্ৰদান, বন্দুকৰ অনুজ্ঞা পত্ৰ প্ৰদান আৰু নবীকৰণ, কৃষকৰ উৎপাদিত ধান ক্ৰয়, শক্তিখণ্ডত নতুন ছাব ষ্টেশ্যন স্থাপন, জলজীৱন মিছনৰ জৰিয়তে পানী যোগান, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অগ্ৰগতি, মাটিৰ পট্টা প্ৰদান, অসম-নাগালেণ্ড সীমান্তৰ পৰিস্থিতি, আত্মসহায়ক গোটলৈ সাহায্য ইত্যাদি বিষয়সমূহ বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰতিখন আঁচনিয়ে সময় নিৰ্দ্ধাৰিতভাৱে সম্পূৰ্ণ কৰিব লাগিব। ইয়াৰ বাবে জনসাধাৰণক আস্থাত লৈ কাম কৰিব লাগিব বুলিও তেওঁ কয়। পঞ্চদশ বিত্ত আয়োগৰ পুঁজিৰ জৰিয়তে প্ৰতিখন পঞ্চায়তকে পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু সেউজকৰণৰ পদক্ষেপ ল'বলৈ উপায়ুক্তদ্বয়ক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বিদ্যালয়সমূহ মেৰামতি কৰাৰ দিশতো পদক্ষেপ ল'বলৈ কয়। ড্ৰাগছৰ প্ৰচলন বৃদ্ধি হোৱাৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে গাঁওবুঢ়া আৰু বাগানৰ চৰ্দাৰসকলক লগত লৈ ড্ৰাগছৰ বিৰুদ্ধে জনসচেতনতা সৃষ্টিৰ বাবে নিৰ্দেশ দিয়ে। ড্ৰাগছৰ ক্ষেত্ৰত কঠোৰ স্থিতি ল'বলৈ তেওঁ আৰক্ষী প্ৰশাসনক নিৰ্দেশ দিয়ে। সমাজবিৰোধী শক্তিক চিনাক্ত কৰি এইসকলৰ বিৰুদ্ধেও পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ ক্ষেত্ৰত দৃঢ়তাৰে পদক্ষেপ ল'বলৈও প্ৰশাসনক নিৰ্দেশ দিয়ে। যিসকল খেতিয়ক, মহিলা, যুৱক-যুৱতীয়ে ব্যৱসায়ৰ ক্ষেত্ৰত সফলতা লাভ কৰিছে সেইসকলক উদগণি দিয়াৰ পদক্ষেপ ল'বলৈ তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে সফলতা লাভ কৰা বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনসমূহকো উদগণি প্ৰদানৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য বিদ্যুৎ চন্দন ডেকা, অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ মমিনুল আৱাল, দুয়োখন জিলাৰ উপায়ুক্ত, যোৰহাট জিলাৰ আৰক্ষী অধীক্ষক, প্ৰশাসন আৰু অন্যান্য বিভাগৰ জিলা পৰ্যায়ৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**১১/১২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in